# তেজপুৰ বৃক্ষৰোপনত প্ৰথমবাৰৰ চেম্পিয়ন অব দা চিজনৰ বিজেতাসকলক সন্মানিত এপিজেয় চাহৰ

গুৱাহাটী, ২৮ মাৰ্চ : এ.পিজেয় চাহে তাবি ভাংগৰা, বৰজুলি চাহ বাগিচা, চালমি লাকৰা, বুদুলাবেটা চাহ বাগিচা আৰু দিব্য পাণিকাক ঘৈৰালী চাহ বাগিচা চেম্পিয়ন অব দা চিজন এৱাৰ্ড, যি শ্ৰেষ্ঠ প্লাকাৰ আৰু শ্ৰেষ্ঠ ফেক্টৰী ষ্টাৰ এৱাৰ্ডৰ ওপৰত ভিত্তি কৰি এপিজেয় চাহে ২০১৮ চনত আৰম্ভ কৰিছিল। চাহ শ্ৰমিকসকলৰ ফিল্ড আৰু ফেক্টৰীৰ কামৰ উদাহৰণস্বৰূপ প্ৰচেষ্টাক প্ৰশংসা কৰাৰ বাবে বিজয়ীসকলক পুৰস্কৃত কৰে মিঃ বিনোদ ৰাজবংশী ক্লাষ্টাৰ এমআইচি আৰু মিঃ ৰামকৃষ্ণ ঘোষ, জেনেৰেল মেনেজাৰ, এইচ আৰ। অনুষ্ঠানত বিশেষ অতিথি হিচাপে উল্লেখ কৰা হয় ঘৈৰালী চাহ বাগিচাৰ স্থায়ী কৰ্মচাৰী উষা ভূমিজক এপিজেয় সুৰেন্দ্ৰ গ্ৰুপৰ ভেল্যু এচিভাৰ এৱাৰ্ডেৰে সন্মানিত কৰা হয়। তেওঁ তিনিবাৰৰ বাবে শ্ৰেষ্ঠ প্লাকাৰ পুৰস্কাৰ জয়ী হৈছে। এপ্ৰিল-মে', জুন-জুলাই আৰু আগষ্ট-চেপ্তেম্বৰ। শ্ৰম আৰু কল্যাণ বিভাগ, অসম চৰকাৰৰ পৰা তেওঁ 'শ্ৰেষ্ঠ প্লাকাৰ'ৰ বাবে নিৰ্বাচিত হৈছে। অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উষা ভূমিজক ২০১৮ চনৰ ২৩ নৱেম্বৰত ৰঙাপাৰা ৰেলৰে ফিল্ডত সন্মানিত কৰে। ২০১৮ চনত গুণোৎসৱত ঘৈৰালী প্ৰাথমিক স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীক বিশেষ স্বীকৃতি দিয়া হয়, য'ত স্কুলখনে এগ্ৰেড অৰ্জন কৰিছিল। এপিজেয় চাহৰ বৰজুলি বাগিচাত পুৰস্কাৰসমূহ বিতৰণ কৰা হয়। চেম্পিয়ন অব চিজন সন্মানিত কৰি চেয়ামেনৰ ট্ৰফী নগদ পুৰস্কাৰ আৰু এখন চাৰ্টিফিকেট দিয়া হৈছে আৰু এপিজেয় সুৰেন্দ্ৰ গ্ৰুপ ভেল্যু এচিভাৰ এৱাৰ্ড বিজয়ীয়ে পাইছে কাৰণ পলৰ পৰা নগদ পুৰস্কাৰ আৰু স্বীকৃতি। তেওঁলোকৰ পৰিয়ালৰ সদস্যইও উপহাৰৰ দ্বাৰা সন্মানিত হৈছে। ডঃ পি কে লহকৰ, মেডিকেল ইন্সপেক্টৰ ও বিশেষ সদস্য মেডিকেল এডভাইচেৰি বোৰ্ড ফৰ প্লেনটেচন, অসম, মিঃ মৃন্ময় বৰুৱা, অবিটা জোন-৩ সচিব, এপিজেয় চাহ বাগিচাৰ মেনেজাৰসকল, কল্যাণ কৰ্মকৰ্তা ও ইউনিয়ন সদস্যসহ উপস্থিত থাকে। ঘৈৰালী চাহ বাগিচা আৰু বৰজুলি বাগিচাৰ নৃত্য দলসমূহৰ নৃত্য প্ৰদৰ্শন কৰা হয় অনুষ্ঠানত। এপিজেয় চাহৰ শ্ৰেষ্ঠ প্লাকাৰ এৱাৰ্ড ১৭ খন বাগিচাত আৰম্ভ হৈছিল ২০১৮ চনৰ এপ্ৰিল মাহত। স্থায়ী আৰু অস্থায়ী কৰ্মীসকলৰ মাজৰ পৰা প্ৰতি ৬০ দিনত দুজন বিজয়ী হিচাপে চিহ্নিত কৰা হয়। এপিজেয় চাহ ফেক্টৰী ষ্টাৰ এৱাৰ্ড তাৰ পিছৰ পৰাই আৰম্ভ হয়। ১৫ টি ফেক্টৰীৰ এজন প্ৰতি ৩০ দিনত বাচনি কৰা হয়। মুঠতে ২০১৮ চনত ৪৬৫ জনক ফিল্ড আৰু ফেক্টৰীৰ কামৰ বাবে পুৰস্কৃত কৰা হয় দ্বিমাহিক আৰু মাহিকী ভিত্তিত। বিজয়ীসকলৰ সম্বন্ধে — তাবি ভংগৰা বৰজুলি বাগিচাৰ বৰজুলি ডিভিজনৰ স্থায়ী বিভাগৰ চেম্পিয়ন অব দ্যা চিজন। তেওঁ ২০১৮ চনত শ্ৰেষ্ঠ প্লাকাৰ পুৰস্কাৰ চাৰিবাৰ লাভ কৰিছে। তেওঁ ১৮ বছৰ ধৰি বাগিচাত কাম কৰি আছে। চালমি লাক্ৰা বুদলাপাৰা বাগিচাৰ তিনিআলি ডিভিজনৰ অস্থায়ী বিভাগৰ চেম্পিয়ন অব দ্যা চিজন। ২০১৮ চনত তেওঁ তিনিবাৰ শ্ৰেষ্ঠ প্লাকাৰ জয়ী হৈছে। তেওঁ ২০০৮ চনৰ পৰা বুদলাপাৰাত কাম কৰি আছে। তেওঁ কোকৰাঝাৰৰ। দিব্য পানিকা হৈছে একমাত্ৰ মহিলা ফেক্টৰী চেম্পিয়ন ২০১৮ চনৰ। ২০১৮ চনত তেওঁ তিনিবাৰ ফেক্টৰী ষ্টাৰ এৱাৰ্ড জয়ী হৈছিল—জুন, চেপ্তেম্বৰ আৰু অক্টোবৰ মাহত। তেওঁ ২ বছৰ ধৰি এই বাগিচাত কাম কৰি আছে। তেওঁৰ মা-দেউতা আৰু দুইজন সৰু ভাই আছে।

